## সুপ্ৰভাত

আজিৰ দিনটোতে—

- শ্লোভেনিয়াত স্বাধীনতা-একতা দিৱস
- বুলগেৰিয়াত পিতৃ দিৱস
- ১৯২৯ত লেখক-নাট্যকাৰ তাৰক মেহতাৰ জন্ম
- ১৭৯১ত কম্পিউটাৰৰ পিতৃপুৰুষ চাৰ্লছ বেবেজৰ জন্ম
- ১৮৯৯ত স্বাধীনতা সংগ্ৰামী উধাম সিঙৰ জন্ম
- ১৯২৫ত কানপুৰত কমিউনিষ্ট পাৰ্টী অব ইণ্ডিয়া গঠন

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

২৯০ □ শুকুৰবাৰ □ ১০ পুহ ১৯৪৭ শক □ ২৬ ডিচেম্বৰ ২০২৫ চন □ VOL-15 □ NO-290 □ FRIDAY 26 DECEMBER 2025 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE-1

Dibrugarh, Assam

### শিক্ষা কেৱল ডিগ্ৰী লোৱাৰ এক মাধ্যম নহয় ঃ অধ্যক্ষ ড° শশীকান্ত শইকীয়া

# গৰুধৰীয়া বাৰেঘৰীয়াত ৰাইজৰ উৎসৱ




বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৫ ডিচেম্বৰ ঃ শিক্ষাৰ উদ্দেশ্য কেৱল প্ৰমাণ-পত্ৰ বা ডিগ্ৰী লোৱাৰ এক মাধ্যম নহয়, ই হ'ল সমাজৰ পৰা আন্ধাৰ আঁতৰোৱাৰ এক অন্যতম পোহৰ। এই পোহৰে সমাজক আগুৱাই নিয়ে আৰু জ্ঞান-বিজ্ঞান, প্ৰজ্ঞা, নতুনত্বৰ সৃষ্টি কৰি সমাজক পৰিৱৰ্তন কৰে। সমাজত শিক্ষিত লোকৰ সংখ্যা বাঢ়িছে, কিন্তু জ্ঞানী, প্ৰজ্ঞাৱান লোকৰ সংখ্যা বঢ়া নাই। গৰুধৰীয়া বাৰেঘৰীয়াত অনুষ্ঠিত 'ৰাইজৰ উৎসৱ'ত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক, স্নেহবন্ধনৰ সাধাৰণ সম্পাদক, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়াই এইদৰে কয়। গৰুধৰীয়া মঞ্জুল সমল কেন্দ্ৰৰ উদ্যোগত ২৩ ডিচেম্বৰত অনুষ্ঠিত ৰাইজৰ উৎসৱত অধ্যক্ষগৰাকীয়ে কয়— ই কেৱল মেলা বা উৎসৱ নহয়, ই হ'ল এটা সপোনৰ আৱৰ্ত্তনি, ই হ'ল শিক্ষাক ৰাইজৰ কাষলৈ লৈ যোৱাৰ এক গণমুখি আন্দোলন, শিক্ষাৰ আন্দোলন, সামাজিক জাগৰণ। তেওঁ কয় যে পৃথিৱীৰ বিভিন্ন দেশত এনে কাৰ্যসূচীৰ যোগেদি নাগৰিকক শিক্ষাৰ প্ৰতি সচেতন কৰি তোলা হয়। তেওঁ কয় শিক্ষা কেৱল পাঠ্যপুথিৰ মাজতে আবদ্ধ নাথাকে, শিক্ষা বিদ্যালয়ৰ চাৰিসীমাৰ বাহিৰতো প্ৰৱাহিত হৈ থাকে। আনন্দ চন্দ্ৰ বৰপাত্ৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত তেওঁ কয়— শিক্ষা হ'ল সংস্কৃতি আৰু বিজ্ঞানৰ সমষ্টি। উদ্ভাৱনীমূলক শিক্ষা কেনেকৈ সৃষ্টি হয় সেয়া তেওঁ পৃথিৱীৰ জাৰ্মান, জাপান, আমেৰিকা আদি দেশৰ উদাহৰণ দি সবিস্তাৰে ব্যাখ্যা আগবঢ়ায়। তেওঁ বিখ্যাত দাৰ্শনিক কনফুছিয়াছৰ বিখ্যাত উক্তি ব্যাখ্যা কৰি কয়— যদি এবছৰৰ কাৰণে পৰিকল্পনা কৰা হয়, তেন্তে খেতি কৰাৰ প্ৰয়োজন, যদি দহ বছৰৰ কাৰণে পৰিকল্পনা কৰা হয়, তেন্তে বৃক্ষ ৰোৱা প্ৰয়োজন আৰু যদি গোটেই জীৱনৰ বাবে পৰিকল্পনা কৰা হয়, তেন্তে মানুহক শিক্ষিত কৰা প্ৰয়োজন। জীৱনত শিক্ষা আহৰণ কৰি কেতিয়াও শেষ কৰিব নোৱাৰি বুলি উল্লেখ কৰি তেওঁ কয় যে জাৰ্মানত আজীৱন শিক্ষাৰ এক ধাৰণা সৃষ্টি কৰি মানুহক শিক্ষা দিয়াৰ এটা পৰম্পৰা চলি আহিছে। এষ্টাৰ ৰাণী থিনচিনে উদ্বোধন কৰা সভাত উপস্থিত ছাত্ৰ-ছাত্ৰী, অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰীসকলক উদ্দেশ্যি তেওঁ কয়— যেতিয়ালৈকে মানুহৰ মনৰ মাজত কৌতূহল সৃষ্টি নহয়, প্ৰশ্নৰ উদয় নহয়, যেতিয়ালৈকে অন্তৰ্নিহিত শিক্ষাই পূৰ্ণতা নাপায়, তেতিয়ালৈকে মানুহ সভ্য আৰু জ্ঞানী হ'ব নোৱাৰে। তেওঁ নিজে শিক্ষিত হোৱা মানেই সমাজখন শিক্ষিত হোৱা নুবুজাই বুলি উল্লেখ কৰি কয়— প্ৰত্যেকজন শিক্ষিত ব্যক্তিয়ে জ্ঞানৰ পোহৰ ওচৰ-চুবুৰীয়াৰ মাজলৈ, ৰাইজৰ মাজলৈ লৈ গ'লেহে 'ৰাইজৰ উৎসৱ' অনুষ্ঠিত কৰা সাৰ্থক হ'ব। শিক্ষা আহৰণৰ বাবে সকলোকে বিনোয়োগ কৰিবলৈও তেওঁ আহ্বান জনায়। উল্লেখ্য যে মৃদুল পাত্ৰই আঁত ধৰা আৰু ভাস্কৰ বৰাই উদ্দেশ্য ব্যাখ্যা কৰা একেটা অনুষ্ঠানতে এখন হাতেলিখা আলোচনী উন্মোচন কৰে বৰবৰুৱা শিক্ষাখণ্ডৰ খণ্ড সমল ব্যক্তি স্মিতা বৰবৰাই। সভাখনত প্ৰেমনাথ দলে, ৰুমী কোঁৱৰ, প্ৰফুল্ল পাত্ৰ, পৰমানন্দ কামানকে ধৰি ভালেসংখ্যক গণ্য-মান্য ব্যক্তি, অভিভাৱক-অভিভাৱিকা আৰু দুই শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।